**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে মত-বিনিময় কৰিব।

২। বংগোপসাগৰীয় বহুক্ষেত্ৰীয় প্ৰযুক্তি আৰু অৰ্থনৈতিক সহযোগিতা উদ্যম বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হ'ব।

৩। ৰাজ্যখনত বান পৰিস্থিতি কিছু উন্নত হ'লেও ৰাজ্যখনৰ ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক এতিয়াও বানৰ কবলত আছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আৰু ছাইনা নেহৱালৰ মাজৰ বেডমিণ্টন খেলৰ পৰা ৰাষ্ট্ৰপতিগৰাকীৰ খেলৰ প্ৰতি থকা স্বাভাৱিক প্ৰীতি স্পষ্ট হৈ পৰিছে।

আৰু

৫। কাজাখস্তানৰ এলেনা ৰায়বাকিনা আজি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথমখন ছেমি ফাইনেলত চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰেজিছিক'ভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে মত-বিনিময় কৰিব। শ্ৰীমোদীয়ে আসন্ন কেন্দ্ৰীয় বাজেট সন্দৰ্ভত তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰিব। অৰ্থনীতিবিদৰ উপৰি বিভিন্ন ক্ষেত্ৰত বিশেষজ্ঞসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰি আৰু অন্য সদস্যসকলেও ভাগ ল'ব।

সংসদৰ বাজেট অধিবেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। এয়া নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট হ'ব। যোৱা মাহত অনুষ্ঠিত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইবাৰৰ বাজেট চৰকাৰৰ দূৰগামী নীতি আৰু ভৱিষ্যৎ দৃষ্টিভংগীৰ ফলপ্ৰসূ নথি হ'ব বুলি মন্তব্য কৰিছিল। তেওঁ লগতে বাজেটত গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু সামাজিক সিদ্ধান্তৰ লগতে ভালেমান ঐতিহাসিক পদক্ষেপ দেখিবলৈ পোৱা যাব বুলি কৈছিল। লোকসভা নিৰ্বাচনৰ বাবে যোৱা ফেব্ৰুৱাৰীত অন্তৰ্বৰ্তীকালীন বাজেট দাখিল কৰা হৈছিল।

০০০০০০০০০

বংগোপসাগৰীয় বহুক্ষেত্ৰীয় প্ৰযুক্তি আৰু অৰ্থনৈতিক সহযোগিতা উদ্যম বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হ'ব। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে বিদেশ মন্ত্ৰী এছ জয়শংকৰে এই সন্মিলনত বিমষ্টেকৰ বিদেশ মন্ত্ৰীসকলক অভ্যৰ্থনা জনাব। এই দুদিনীয়া সন্মিলনে ৰাষ্ট্ৰগোষ্ঠীটোৰ সদস্য ৰাষ্ট্ৰসমূহক বংগোপসাগৰীয় অঞ্চল আৰু উপকূলীয় এলেকাত সুৰক্ষা, যোগাযোগ, ব্যৱসায় আৰু বিনিয়োগকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব। বিমষ্টেক বহুক্ষেত্ৰীয় সহযোগিতাৰ বাবে দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ ৭ খন দেশৰ এটা গোট। ভাৰতৰ উপৰি এই গোটৰ অন্য সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত শ্ৰীলংকা, বাংলাদেশ, ম্যানমাৰ, থাইলেণ্ড, নেপাল আৰু ভূটান আছে।

০০০০০০০০০

আজি বিশ্ব জনসংখ্যা দিৱস। জনসংখ্যা বৃদ্ধিৰ ফলত অহা প্ৰত্যাহ্বানসমূহ আৰু সুবিধাসমূহক প্ৰতিফলিত কৰি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। বহনক্ষম ভৱিষ্যতৰ বাবে কাম কৰা আৰু জনসংখ্যা বৃদ্ধিৰ লগত জড়িত বিষয়সমূহৰ ক্ষেত্ৰত মোকাবিলা কৰাৰ বাবে প্ৰতিবছৰে এই জনসংখ্যা দিৱস পালন কৰা হয়। জনসংখ্যাৰ বিষয়সমূহৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ প্ৰতি মনোযোগ দিয়াৰ উদ্দেশ্যে ১৯৮৯ চনত ৰাষ্ট্ৰসংঘৰ প্ৰশাসনীয় পৰিষদে উন্নয়ন আঁচনিৰ অধীনত এই দিৱস আৰম্ভ কৰিছিল।

১৯৯০ চনত গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই জনসংখ্যাৰ সমস্যাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি ইয়াৰ লগত পৰিৱেশ আৰু উন্নয়নৰ মাজৰ সম্পৰ্কক প্ৰতিফলিত কৰি প্ৰতিবছৰে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত ৯০ খনৰো অধিক দেশত প্ৰথমবাৰৰ বাবে বিশ্ব জনসংখ্যা দিৱস পালন কৰা হয়। এইবেলি বিশ্ব জনসংখ্যা দিৱসৰ মূল বিষয়বস্তু হৈছে - 'কাকো বাদ নিদিয়াকৈ সকলোকে গণনা কৰা'।

ooooooooo

ৰাজ্যখনত বান পৰিস্থিতি কিছু উন্নত হ'লেও ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক এতিয়াও বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৮৬টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৪ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৩ লৈ বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰে, ২০৯টা আশ্ৰয় শিবিৰ আৰু ১৫৬ টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনৰ বেডমিণ্টন ক'ৰ্টত প্ৰসিদ্ধ খেলুৱৈ ছাইনা নেহৱালৰ সৈতে বেডমিণ্টন খেলাৰ কথাই তেওঁৰ ক্ৰীড়াৰ প্ৰতি থকা স্বাভাৱিক আকৰ্ষণৰ কথা প্ৰতিফলিত কৰে।

বেডমিণ্টনৰ কেন্দ্ৰ হিচাপে ভাৰতৰ উত্থান বিশেষকৈ মহিলা খেলুৱৈসকলে বিশ্বৰ পৰ্যায়ত এটা বিশেষ আধিপত্য বিস্তাৰ কৰাৰ সময়ত ৰাষ্ট্ৰপতিগৰাকীৰ এই পদক্ষেপে সকলোকে অনুপ্ৰাণিত কৰিছে। ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত আজি বেডমিণ্টন তাৰকা ছাইনা নেহৱালে মহিলা পদ্ম বঁটা প্ৰাপকসকলক প্ৰতিফলিত কৰি আয়োজন কৰা 'হাৰ ষ্টৰী - মাই ষ্টৰী' শীৰ্ষক এলানি অনুষ্ঠানত ভাষণ দিব।

ooooooooo

———উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি বিয়লি মহাৰাষ্ট্ৰৰ বিধান মণ্ডলৰ উভয় সদনৰ সদস্যসকলক সম্বোধন কৰিব। মহাৰাষ্ট্ৰ ভ্ৰমণসূচীৰ দ্বিতীয়দিনা উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ মুম্বাইৰ নাৰ্চি মঞ্জি ব্যৱস্থাপনা অধ্যয়ন প্ৰতিষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ দিব। শ্ৰী ধনখড়ে ৰাজভৱনো পৰিদৰ্শন কৰিব।

ooooooooo

নাগালেণ্ডক প্ৰতিষ্ঠিত কৃষি নেতৃত্ব বঁটা, ২০২৪-ৰ অধীনত উদ্যান শস্যৰ শিতানত শ্ৰেষ্ঠ ৰাজ্য হিচাপে বাছনি কৰা হৈছে। উদ্যানশস্যৰ বিকাশৰ বাবে উদ্ভাৱনমূলক কাৰ্যসূচী আৰু নীতিৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কামৰ বাবে ৰাজ্যখনক এই বঁটাৰ বাবে বাছনি কৰা হৈছে। ৰাজ্যখনত এনে কাৰ্যসূচী আৰু নীতিয়ে ভালেসংখ্যক খেতিয়ক আৰু গ্ৰামাঞ্চলৰ জনসাধাৰণৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাইছে।

নাগালেণ্ডৰ মহিলা সম্পদ উন্নয়ন আৰু উদ্যান শস্য বিভাগৰ মন্ত্ৰী ছলহ'টুঅ'নুঅ' ক্ৰুচে কালি বিয়লি নতুন দিল্লীত আয়োজিত পঞ্চদশ কৃষি নেতৃত্ব সন্মিলনত এই বঁটা গ্ৰহণ কৰে। কেন্দ্ৰীয় পথ পৰিবহণ তথা ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী আৰু কেন্দ্ৰীয় কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে।

ooooooooo

জ্যেষ্ঠ উপ-নিৰ্বাচন আয়ুক্ত নীতেশ ব্যাস আৰু ধৰ্মেন্দ্ৰ শৰ্মা নেতৃত্বাধীন নিৰ্বাচন আয়োগৰ এটা ছজনীয়া দলে ঝাৰখণ্ডত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে ৰাজ্যখনৰ সকলো জিলা নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হৈছে। ইয়াৰ পূৰ্বে আয়োগৰ দলটোৱে ঝাৰখণ্ডৰ মুখ্য নিৰ্বাচনী বিষয়া আৰু অন্য বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। জ্যেষ্ঠ উপ-নিৰ্বাচন আয়ুক্তদ্বয়ে বিষয়াসকলক ভোটাৰ তালিকাৰ সংশোধনৰ সময়ত সতৰ্কতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্যখনত ২৫ জুনৰ পৰা ভোটাৰ তালিকাৰ সংশোধনৰ প্ৰক্ৰিয়া চলি আছে। ২৪ জুলাইত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব আৰু ২০ আগষ্টত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ঝাৰখণ্ডত এইবছৰৰ শেষৰফালে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছে।

ooooooooo

শ্ৰীলংকাৰ নৌসেনা বাহিনীয়ে ১৩ জন ভাৰতীয় মাছমৰীয়াক গ্ৰেপ্তাৰ কৰিছে আৰু আজি তেওঁলোকক কাংকেচণ্টুৰই বন্দৰলৈ নিয়া হৈছে। গ্ৰেপ্তাৰ কৰাৰ সময়ত পুডুকোট্টইৰ এই মাছমৰীয়াকেইজনে কচ্চাটিভুৰ ওচৰত মাছ ধৰি আছিল। উল্লেখযোগ্য যে পহিলা জুলাইত শ্ৰীলংকাৰ নৌসেনা বাহিনীয়ে ২৫ জন মাছমৰীয়াক গ্ৰেপ্তাৰ কৰিছিল।

ooooooooo

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ প্ৰথমখন ছেমি ফাইনেলত আজি সন্ধিয়া কাজাখস্তানৰ এলেনা ৰায়বাকিনাই চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰেজিছিক'ভাৰ বিৰুদ্ধে খেলিব। চতুৰ্থ বাছনিৰ কাজাখস্তানৰ এলেনাই কোৱাৰ্টাৰ ফাইনেলত ইউক্ৰেইনৰ এলিনা স্বিত'লিনাক ৬-৩, ৬-২ ছেটত পৰাস্ত কৰে। ইফালে, চেক গণৰাজ্যৰ বাৰবোৰাই কোৱাৰ্টাৰ ফাইনেলত লাটভিয়াৰ জেলেনা অ'ষ্টাপেংকোক ৬-৪, ৭-৬ ছেটত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে।

আনহাতে দ্বিতীয়খন ছেমি ফাইনেলত সপ্তম বাছনিৰ ইটালীৰ জেছমিন পাৱলিনীয়ে ক্ৰ'ৱেছিয়াৰ ড'না ৱেকিকৰ বিৰুদ্ধে খেলিব। আগশাৰীৰ চেম্পিয়নশ্বিপত ড'না বেকিকে প্ৰথমবাৰৰ বাবে ছেমি ফাইনেল খেলিব।

পুৰুষৰ ডাবল্‌ছ শাখাৰ ছেমি ফাইনেলত শীৰ্ষ বাছনিৰ স্পেইন আৰু আৰ্জেণ্টিনাৰ যুটি মাৰ্ছেল গ্ৰেন'লৰ্ছ আৰু হ'ৰাছিঅ' জেবাল'ছে অষ্ট্ৰিয়াৰ যুটি মেক্স পৰ্ছেল আৰু জৰ্ডান থাম্পছনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষৰ একক শাখাৰ নভাক জক'ভিছ ত্ৰয়োদশবাৰৰ বাবে উইম্বলডনৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কোৱাৰ্টাৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ এলেক্স দা মিন'ৰ আঘাতৰ পৰিপ্ৰেক্ষিতত প্ৰতিযোগিতাৰ পৰা বাহিৰ হোৱাত ন'ভাক জক'ভিছ ছেমি ফাইনেলত প্ৰৱেশ কৰে।

ooooooooo

**সমাপ্ত**